# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-09-2026 **Time :** 0900 Hrs.

## Headlines

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ধুবুৰীৰ চাপৰত আজি তিনি হাজাৰ ২০০ মেগাৱাট শক্তিসম্পন্ন তাপবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কাৰ্যসূচী।

২। বটদ্ৰৱাৰ আৰ্হিত মধুপুৰ সত্ৰৰ সৰ্বাংগীন সংৰক্ষণ আৰু আন্তঃগাঁথনি বিকাশৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা লৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। বিশিষ্ট কবি, গীতিকাৰ আনিছ উজ জামানৰ ৭৯ বছৰ বয়সত দেহাৱসান।

৪। ৰাজ সাহায্যযুক্ত ঘৰুৱা ৰন্ধন গেছৰ বাবে চলিত বৰ্ষৰ পহিলা অক্টোবৰৰ পৰা বায়'মেট্ৰিক আধাৰ প্ৰমাণিকৰণ বাধ্যতামূলক।

*আৰু*

৫। এছিয়ান গেমছৰ মহিলা ক্ৰিকেটৰ ছেমি ফাইনেলত আজি ভাৰত আৰু বাংলাদেশৰ মুখামুখি।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ধুবুৰীৰ চাপৰত আজি তিনি হাজাৰ ২০০ মেগাৱাট শক্তিসম্পন্ন তাপবিদ্যুৎ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। দিনৰ ১১ বজাত হ'বলগীয়া এই অনুষ্ঠানত বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহল, ভূমি সংৰক্ষণ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, বিলাসীপাৰাৰ বিধায়ক জীৱেশ ৰায় আৰু আদানী গ্ৰুপৰ সঞ্চালক জিৎ আদানী উপস্থিত থাকিব। ৪৮ হাজাৰ কোটি টকা বিনিয়োগেৰে নিৰ্মাণ কৰিবলগীয়া এই তাপবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কালত ২০ হাজাৰৰো অধিক নিয়োগ সৃষ্টিৰ উপৰি নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাৰ পাছত পাঁচ হাজাৰৰো অধিক নিয়োগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

ড০ শৰ্মাই কালি ধুবুৰীৰ তামাৰহাট বজাৰত পুনৰ নিৰ্মাণ কৰা দূৰ্গা মন্দিৰ উদ্বোধন কৰে। ৰাইজক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, যে তামাৰহাটৰ ১০৮ বছৰীয়া দূৰ্গা মন্দিৰটো হৈছে আধ্যাত্মিক উপাসনাৰ পৱিত্ৰ স্থান তথা সাংস্কৃতিক চৰ্চাৰ কেন্দ্ৰ বিন্দু। ড০ শৰ্মাই দূৰ্গা মন্দিৰৰ সন্মুখভাগৰ সৌন্দৰ্যবৰ্ধন, গংগাধৰ নদীৰ ওপৰত তামাৰহাটৰ পৰা কঁঠালতলিলৈ পকী দলং নিৰ্মাণ, তামাৰহাটৰ ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়খন ৩০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণ কৰা হ'ব বুলি আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে কালি পশ্চিমবংগৰ কোচবিহাৰত থকা মধুপুৰ সত্ৰ পৰিদৰ্শন কৰে। সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত ড০ শৰ্মাই কয়, যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱ আৰু শ্ৰীশ্ৰী দামোদৰ দেৱৰ স্মৃতি বিজড়িত এই পৱিত্ৰ ভূমি অসমীয়া জাতীয় জীৱনৰ অমূল্য ঐতিহ্য। স্বকীয়তা আৰু পৰম্পৰা অটুট ৰাখি বটদ্ৰৱাৰ আৰ্হিত মধুপুৰ সত্ৰৰ সৰ্বাংগীন সংৰক্ষণ আৰু আন্তঃগাঁথনি বিকাশৰ বাবে ৰাজ্য চৰকাৰে বিশেষ পৰিকল্পনা হাতত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

(বাইট ঃ ড০ শৰ্মা)

এই পৰিদৰ্শন কালত পশ্চিমবংগ চৰকাৰৰ মন্ত্ৰী নিশিথ প্ৰামানিক আৰু মালতী ৰাভা ৰয়ৰ লগতে মন্ত্ৰী অশোক সিংহল আৰু অশ্বিনী ৰায় সৰকাৰ উপস্থিত থাকে।

ড০ শৰ্মাই গৌৰীপুৰৰ ঐতিহাসিক হাৱামহল পৰিদৰ্শন কৰি ইয়াৰ নৱীকৰণ তথা সংৰক্ষণ কাৰ্যৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰে।

(বাইট)

০০০০০০০

বিশিষ্ট কবি, গীতিকাৰ আনিছ উজ জামানৰ আজি পুৱা দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা বিশিষ্ট কবিগৰাকীয়ে আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৯ বছৰ। তেওঁৰ প্ৰকাশিত কাব্যগ্ৰন্থসমূহৰ ভিতৰত অজ্ঞাতে, গধূলি, সেউজীয়া জোন, এই বাটেদিয়েই আৰু দোকমোকালি অন্যতম। ইয়াৰ উপৰি তেওঁ কেইবাখনো শিশু গ্ৰন্থ আৰু অনুবাদগ্ৰন্থ ৰচনা কৰি থৈ গৈছে। অসম কবি সন্মিলনে কবিগৰাকীক কাব্যৰত্ন সন্মান প্ৰদান কৰাৰ লগতে ২০২১ চনত তেওঁক ধ্ৰুৱজ্যোতি বৰা সাহিত্য পুৰস্কাৰ, ২০২২ চনত গংগাধৰ মেহেৰ ৰাষ্ট্ৰীয় কাব্য বঁটা, ২০২৩ চন অমূল্য চক্ৰৱৰ্তী সোঁৱৰণী অনুবাদ সাহিত্য বঁটা আৰু ২০২৪ চনত গণেশ গগৈ বঁটাৰে সন্মানিত কৰা হৈছিল। অসম সাহিত্য সভাই নীলমণি ফুকনৰ পিছতেই কবি আনিছ উজ জামানক ২০২৪ বৰ্ষত জাতীয় কবি হিচাপে স্বীকৃতি প্ৰদান কৰিছিল।

০০০০০০০

ৰাজ সাহায্যযুক্ত ঘৰুৱা ৰন্ধন গেছৰ বাবে চলিত বৰ্ষৰ পহিলা অক্টোবৰৰ পৰা বায়'মেট্ৰিক আধাৰ প্ৰমাণিকৰণ বাধ্যতামূলক বুলি চৰকাৰে প্ৰকাশ কৰিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে ঘৰুৱা ৰন্ধন গেছৰ গ্ৰাহকসকলে প্ৰযোজ্য ৰাজসাহায্যৰ সৈতে নিৰ্ধাৰিত খুচুৰা বিক্ৰী মূল্যত চিলিণ্ডাৰ বুকিঙৰ বাবে বায়'মেট্ৰিক আধাৰ প্ৰমাণিকৰণ সম্পন্ন কৰিব লাগিব। ইয়াৰ ফলত কেৱল প্ৰকৃত আৰু প্ৰাপ্য পৰিয়ালেহে যাতে ৰাজ সাহায্যযুক্ত ঘৰুৱা ৰন্ধন গেছ লাভ কৰে সেয়া সুনিশ্চিত হ'ব। এই ব্যৱস্থাই নকল আৰু অযোগ্য ৰন্ধন গেছৰ সংযোগ নোহোৱা কৰিব। এই প্ৰক্ৰিয়াৰ জৰিয়তে কোনো প্ৰাপ্য পৰিয়ালক ৰন্ধন গেছৰ পৰা বঞ্চিত কৰিব বিচৰা হোৱা নাই বুলি মন্ত্ৰালয়ে স্পষ্ট কৰি কয় যে  প্ৰতিজন যোগ্য গ্ৰাহকে প্ৰমাণিকৰণ সম্পূৰ্ণ কৰাৰ বাবে বহু কেইটা সহজ উপায় আছে। গ্ৰাহকসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰ লোৱাৰ সময়ত অথবা বিতৰকৰ শ্ব' ৰুমত বা তৈল বিপণন কোম্পানীৰ মোবাইল এপ'ৰ জৰিয়তে বায়'মেট্ৰিক প্ৰমাণিকৰণ সম্পূৰ্ণ কৰিব পাৰিব।

০০০০০০০

প্ৰয়াত কণ্ঠশিল্পী, সুৰকাৰ, সংগীত পৰিচালক জয়ন্ত হাজৰিকাৰ আজি ওপজা দিন। সুললিত কণ্ঠৰে অসমীয়া সংগীত জগতলৈ অনন্য বৰঙনি আগবঢ়াই যোৱা শিল্পীগৰাকীয়ে ১৯৪৩ চনৰ আজিৰ দিনটোতে মঙলদৈত জন্মগ্ৰহণ কৰিছিল। অসামান্য প্ৰতিভাৰ অধিকাৰী জয়ন্ত হাজৰিকাই বনৰীয়া ফুল, নিয়তি, বৃষ্টি, ধৰ্মকায়, নতুন আশা আদি বোলছবিত স্বকীয়ভাৱে সংগীত পৰিচালনা কৰিছিল।  ১৯৬২ চনত তেওঁ কলিকতাত

ৰেকৰ্ড কৰা **আগলি বতাহে কঁপালে কলৰে পাত**... আৰু **কৃষ্ণচূড়া কৃষ্ণচূড়া**... গানৰ ৰেকৰ্ডখন যথেষ্ট জনপ্ৰিয় হৈছিল। ভূপেন হাজৰিকাৰ পৰিচালনাত মণিৰাম দেৱান বোলছবিত **সোণাৰ বৰণ পাখিৰে তোৰ**.... গানত পশ্চিমবংগৰ শিল্পী শ্যামল মিত্ৰৰ সৈতে কণ্ঠদান কৰাৰ পাছত তেওঁ ভালেমান গীতত সুৰ আৰু কণ্ঠদান কৰাৰ উপৰি বোলছবি, মঞ্চনাট আৰু তথ্যচিত্ৰৰ বাবে সংগীত পৰিচালনা কৰিবলৈ আৰম্ভ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰেণ্য কণ্ঠশিল্পী, সুৰৰ যাদুকৰগৰাকীৰ পৱিত্ৰ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে জয়ন্ত হাজৰিকাৰ কণ্ঠৰ মায়াময় সুৰ, হৃদয়স্পৰ্শী গীত আৰু অনন্য সৃষ্টিৰাজীয়ে অসমীয়া সংগীতক সমৃদ্ধ কৰাৰ লগতে সাংস্কৃতিক জীৱনলৈ অমলিন সৌন্দৰ্য কঢ়িয়াই আনিছে। তেওঁৰ সুৰত থকা আৱেগ, ভালপোৱা আৰু অসমীয়াৰ আত্মাৰ স্পন্দন প্ৰজন্মৰ পাছত প্ৰজন্মলৈ বৈ থাকিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাই দেশসেৱা মন্ত্ৰৰে ৰাজহুৱা সেৱাৰ ২৫ বছৰ সম্পূৰ্ণ কৰিছে। সেৱা আৰু সুশাসনৰ দৃষ্টিভংগীৰে পৰিচালিত হৈ চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে অবিৰতভাৱে কাম কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত সৰ্বাংগীন উন্নয়ন আৰু সামাজিক সৱলীকৰণৰ জৰিয়তে দেশৰ জনসাধাৰণৰ জীৱনৰ আমূল পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়াস কৰা হৈছে।

সেৱা সংকল্প অভিযানৰ আজিৰ খণ্ডত আমি আপোনালোকলৈ লৈ আহিছো উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ অনিৰুদ্ধ গতিয়ে কিদৰে বিকশিত ভাৰতৰ দৃষ্টিভংগীক কাৰ্যকৰী কৰাত সহায় কৰিছে।

(প্ৰতিবেদন)

সবকা চাথ সবকা বিকাশ মূল মন্ত্ৰৰে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে আন্তঃগাঁথনি, পথ যোগাযোগ, শিক্ষা প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে। বিকাশৰ বিভিন্ন ক্ষেত্ৰৰ ভিতৰত চৰকাৰে বিশেষভাৱে গুৰুত্ব দিয়া এখন ক্ষেত্ৰ হৈছে কৃষি। প্ৰধানমন্ত্ৰী কৃষক সন্মান নীধি, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাকে ধৰি চৰকাৰে কৃষি ক্ষেত্ৰৰ বাবে ইখনৰ পাছত সিখন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিসমূহৰ প্ৰত্যক্ষ সুফল অসমৰ চহা কৃষকে লাভ কৰিবলৈ সমৰ্থ হৈছে। কৃষি ক্ষেত্ৰলৈ অহা পৰিৱৰ্তন, নতুন আঁচনি আদি সন্দৰ্ভত ৰাজ্যিক কৃষি ব্যৱস্থাপনা আৰু সম্প্ৰসাৰণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ৰাজীৱ কুমাৰ ভূঞাই এইদৰে কয়-

০০০০০০০

শ্বহীদ দিৱস উপলক্ষে এছ বি আই ফাউণ্ডেছন আৰু গ্ৰাম্য বিকাশ মঞ্চই বিশ্বনাথ জিলাৰ ৰাইজৰ সহযোগত বীৰাংগনা শ্বহীদ কনকলতা বৰুৱাৰ ত্যাগ আৰু বীৰত্ব শ্ৰদ্ধাৰে সোঁৱৰাৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ সৈতে সংগতি ৰাখি আজি জিলাখনৰ বৰঙাবাৰীত এছ বি আই সন্মান প্ৰজেক্টৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে সমাজৰ বিভিন্ন ক্ষেত্ৰত উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰকল্পৰ অধীনত সমাজৰ ১০০ গৰাকী যুৱক-যুৱতীক প্ৰতিৰক্ষা বাহিনীৰ সৈতে জড়িত চাকৰিৰ বাবে প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে বীৰাংগনা কনকলতা বৰুৱা যুৱ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। মহিলাসকলৰ দক্ষতা বিকাশ আৰু আত্মনিৰ্ভৰশীলতাৰ বাবে প্ৰেৰণা কেন্দ্ৰ স্থাপন কৰি তেওঁলোকক কাটিং আৰু চিলাইৰ

প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে জনসাধাৰণক কম খৰচত বিভিন্ন অনলাইন সেৱা উপলভ্য কৰোৱাৰ উদ্দেশ্যে গ্ৰাম সেৱা কেন্দ্ৰও স্থাপন কৰা হৈছে।

০০০০০০০

কুৰি সংখ্যক এছিয়ান গেমছৰ বিভিন্ন শিতানত আজি কেইবাগৰাকী ভাৰতীয় এথলিটে পদক জয়ৰ বাবে অৱতীৰ্ণ হ'ব। ভাৰতৰ টেক বল খেলুৱৈ কুইমছি ডিছ'জাই ব্ৰঞ্জৰ পদকৰ বাবে জাপানৰ য়ুইনা চাকাম'টৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ পাছত ভাৰতীয় শ্বুটাৰ ইলাভেনিল ৱালাৰিভান, সোনম মাছকাৰ আৰু ৰিদৰ্শা বিনোদে মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল ইভেণ্টৰ পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব।

ইপিনে, ভাৰতৰ মহিলা হকী দলে আজি গ্ৰুপ পৰ্যায়ৰ প্ৰথমখন খেলত উজবেকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে পুৰুষ হকী দল প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ইণ্ডোনেছিয়াৰ মুখামুখি হ'ব।

ইপিনে, মহিলা ক্ৰিকেটৰ ছেমি ফাইনেলত ভাৰত আজি বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি, পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালিৰ উদ্বোধনী অনুষ্ঠানত অলিম্পিকত দুবাৰ পদক বিজয়ী মনো ভাকৰ আৰু কাবাদী খেলুৱৈ পৱন শ্বহৰাৱটে ৫০১ জনীয়া ভাৰতীয় দলৰ নেতৃত্ব বহন কৰে। শ্বহৰাৱটে ভাৰতীয় দলৰ ধ্বজা বহন কৰে।

০০০০০০০

## News Paper Review

ৰাজ্যজুৰি পালন কৰা শিল্পী জুবিন গাৰ্গৰ স্মৃতি দিৱস, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিভিন্ন কাৰ্যসূচী, নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ প্ৰস্তুতি আদি খবৰসমূহে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

শিল্পী জুবিন গাৰ্গৰ কালি আছিল প্ৰথম স্মৃতি দিৱস। সোণাপুৰস্থিত জুবিন ক্ষেত্ৰৰ লগতে ৰাজ্যৰ প্ৰতিটো স্থানতে কালি শিল্পীগৰাকীলৈ অগণন লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ বাতৰিক আজি প্ৰতিখন কাকতেই প্ৰথম পৃষ্ঠিত স্থান দিছে। **অসমীয়া প্ৰতিদিন** কাকতে **জুবিনৰ মায়াৱী গীত-মাতেৰে উদ্বেলিত ৰাজ্য, নিয়মীয়া বাৰ্তা** কাকতে **অমৃতকণ্ঠৰ জয়ধ্বনিৰে জুবিনময় অসম** আৰু **দৈনিক অসম** কাকতে **শদিয়াৰ পৰা ধুবুৰীলৈ প্ৰাণৰ শিল্পীক স্মৰণ- অসমীয়াৰ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰৱাহিত জুবিন** শিৰোনামেৰে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতত বাতৰিটোৰ শীৰ্ষক Zubee echoes across Assam। **দৈনিক অগ্ৰদূত** কাকতে বাতৰিটোৰ শিৰোনাম দিছে **জুবিনে বিচৰা অসমেই উজলিল সমাধিত।**

**দ্যা ছেণ্টিনেল** কাকতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি দেশ বিদেশৰ বিনিয়োগকাৰীসকলক অসমলৈ আমন্ত্ৰণ জনোৱাৰ এটা বাতৰিক আগ স্থান দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি অংশগ্ৰহণ কৰা কাৰ্যসূচী সসমূহকো বিভিন্ন কাকতে প্ৰাধ্যান্য দিছে। **দৈনিক অসম** কাকতত এই সম্পৰ্কীয় এটা বাতৰিৰ শিৰোনাম- **গুৰুজনাৰ স্মৃতি তীৰ্থ পৰিদৰ্শন ড° হিমন্ত বিশ্ব শৰ্মাৰ, বটদ্ৰৱাৰ আৰ্হিত মধুপুৰ সত্ৰত নিৰ্মাণ হ'ব বৃহৎ প্ৰকল্প। আমাৰ অসম** কাকতেও **দিল্লীৰ পৰা উভতি কোচবিহাৰ, ধুবুৰীত মুখ্যমন্ত্ৰী** শীৰ্ষকেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা অব্যাহত আছে। ইয়াৰ মাজতে তৃণমূল কংগ্ৰেছে প্ৰতীক নোপোৱাৰ অভিযোগ তুলি দলটোৰ প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাৰ এটা বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনীৰে দুই এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰৰ ঠাই বিশেষে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

**সমাপ্ত**